**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসগৃহৰ পৰা নগদ কেইবাকোটি টকা উদ্ধাৰ হোৱাৰ ঘটনা সন্দৰ্ভত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সন্ধিয়া সদনৰ নেতাসকলৰ সৈতে এখন বৈঠকৰ আহ্বান জনাইছে।

২। ৰাষ্ট্ৰসংঘৰ মজিয়াত ভাৰতে পুনৰ দৃঢ়তাৰে ঘোষণা কৰে যে, জম্মু-কাশ্মীৰ সদায় ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ থাকিব।

৩। অসম বিধানসভাত আজি বিৰোধী কংগ্ৰেছৰ সদস্যসকলে ৰাজ্যখনৰ জনসাধাৰণৰ ওপৰত বৰ্তমান চৰকাৰে বৃহৎ ঋণৰ বোজা জাপি দিছে বুলি অভিযোগ কৰি প্ৰতিকীৰূপত প্ৰতিবাদ সাব্যস্ত কৰে।

৪। ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত তিনিজন মাওবাদী নিহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখী হ'ব।

০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসগৃহৰ পৰা নগদ কেইবাকোটি টকা উদ্ধাৰ হোৱাৰ ঘটনা সন্দৰ্ভত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সন্ধিয়া সদনৰ নেতাসকলৰ সৈতে এখন বৈঠকৰ আহ্বান জনাইছে। এয়া অতি গুৰুতৰ বিষয় বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে কয়, যে এই বিষয়টোৰ সৈতে সাৰ্বভৌমত্ব, প্ৰভূত্ব আৰু সংসদৰ প্ৰাসংগিকতাৰ কথা জড়িত হৈ আছে। তেওঁ এই ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মুখ্য ন্যায়াধীশৰ শলাগ লয়। আজি সদনৰ শূন্য কালত সভাপতি ধনখড়ে এই বিষয়ত এটা ফলপ্ৰসূ আলোচনা অনুষ্ঠিত হ'ব বুলি আশা প্ৰকাশ কৰে। বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই সদনৰ নেতাসকলৰ সৈতে বৈঠক আয়োজনৰ সভাপতিৰ সিদ্ধান্তক আদৰণি জনায়। শ্ৰী ধনখড়ে কালি এই সন্দৰ্ভত সদনৰ নেতা জে পি নাড্ডা আৰু শ্ৰী খাৰ্গেৰ সৈতে আলোচনাত মিলিত হৈছিল।

০০০০০০০

কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে এটা বিশেষ সংখ্যালঘূ সম্প্ৰদায়ৰ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বাবে সংবিধান পৰিৱৰ্তন কৰাৰ মন্তব্য দিয়াক লৈ বিজেপিয়ে কংগ্ৰেছক পুনৰ সমালোচনা কৰে। সংসদৰ বাহিৰত সংবাদ মাধ্যমক বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে এই মন্তব্যৰ বাবে কংগ্ৰেছ দল আৰু ডি

কে শিৱকুমাৰে ক্ষমা খোজা উচিত। তেওঁ অভিযোগ কৰে যে, কংগ্ৰেছে বাৰম্বাৰ সংবিধান আৰু সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰক অপমানিত কৰি আহিছে।

০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী বাসগৃহত নগদ কেইবাকোটি টকা উদ্ধাৰ হোৱা ঘটনাৰ সন্দৰ্ভত কংগ্ৰেছ সাংসদ মনিষ তেৱাৰীয়ে লোকসভাত কেন্দ্ৰীয় আইন মন্ত্ৰীৰ এটা বিবৃতি দাবী কৰিছে। সংসদৰ বাহিৰত সংবাদ মাধ্যমক সাংসদগৰাকীয়ে কয়, যে এই ঘটনাৰ সৈতে দেশৰ সমগ্ৰ ন্যায়িক আৰু আইনী ব্যৱস্থাটোৰ উপৰি নাগৰিকসকল জড়িত হৈ আছে।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ মজিয়াত ভাৰতে পুনৰ দৃঢ়তাৰে ঘোষণা কৰে যে, জম্মু-কাশ্মীৰ সদায় ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ থাকিব। ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰতিষ্ঠা বিতৰ্কত অংশগ্ৰহণ কৰি ভাৰতৰ স্থায়ী সদস্য ৰাষ্ট্ৰদূত পাৰ্ৱথানেনি হৰিশে কাশ্মীৰক লৈ পাকিস্তানে কৰি অহা দাবীক কঠোৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁ পাকিস্তানৰ দাবীক অমূলক আখ্যা দি কয়, যে জম্মু-কাশ্মীৰ ভাৰতৰ অবিচ্ছদ্য অংগ হৈ আছিল, আছে আৰু ভৱিষ্যতলৈও থাকিব। তেওঁ উল্লেখ কৰে যে, পাকিস্তানে কাশ্মীৰৰ এটা অংশ অবৈধভাৱে নিজৰ দখলত ৰাখিছে আৰু দেশখনে এই দখল ত্যাগ কৰা উচিত। দেশখনে সীমান্তৰ সিপাৰৰ পৰা ভাৰতৰ ভূমিত সন্ত্ৰাসবাদী কাৰ্যকলাপত উৎসাহ দি আহিছে বুলিও তেওঁ অভিযোগ কৰে। শ্ৰী হৰিশে কয়, যে পাকিস্তানে শান্তি প্ৰতিষ্ঠাৰ বাবে হোৱা আলোচনা বিপথে পৰিচালিত কৰিবলৈ যত্ন কৰিছে।

ভাৰত চৰকাৰে পাকিস্তানৰ সৈতে সদায় স্বাভাৱিক প্ৰতিবেশীৰ সম্বন্ধ বৰ্তাই ৰাখিবলৈ যত্ন কৰি আহিছে। এই ক্ষেত্ৰত ইছলামাবাদে এটা অৰ্থপূৰ্ণ সম্বন্ধৰ বাবে সন্ত্ৰাসমুক্ত পৰিৱেশ সৃষ্টি কৰাত নতুন দিল্লীয়ে গুৰুত্ব দি আহিছে। অলপতে এটা প'ডকাষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আক্ষেপ প্ৰকাশ কৰিছিল যে, ভাৰতে শান্তি প্ৰতিষ্ঠাৰ বাবে কৰা প্ৰতিটো চেষ্টাৰ বিপৰীতে পাকিস্তানে বিশ্বাসঘাতকতাৰ পৰিচয় দি আহিছে।

০০০০০০০

বিত্ত বিভাগৰ দায়িত্বত থকা দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি দিল্লী বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। দিল্লীত বিজেপিৰ নেতৃত্বৰ চৰকাৰ গঠনৰ পাছত এইখন হৈছে প্ৰথমখন বাজেট। বাজেট দাখিল কৰি সদনত শ্ৰীমতী গুপ্তাই কয়, যে এক লাখ কোটি টকাৰ এই বাজেটখনত প্ৰতিটো খণ্ডৰ উন্নয়ন আৰু বিকাশত গুৰুত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰা অনুসৰি বাজেটত মূলধনী ব্যয় ২৮ হাজাৰ কোটি টকাৰো অধিক ধাৰ্য কৰা হৈছে। এয়া হৈছে পূৰ্বৰ বাজেটৰ প্ৰায় দুগুণ। দিল্লী চৰকাৰৰ অন্যতম প্ৰধান আঁচনি মহিলা সমৃদ্ধি যোজনাত পাঁচ হাজাৰ ১০০ কোটি টকা আৱণ্টন দিয়া হৈছে। দিল্লীৰ এশটা স্থানত অটল কেণ্টিন স্থাপনৰ বাবে এশ কোটি টকা বাজেটত ধাৰ্য কৰা হৈছে। বাজেটখনক মুখ্যমন্ত্ৰী গুপ্তাই ঐতিহাসিক আখ্যা দি কয়, যে এইখন বাজেটে দিল্লীক গোলকীয় আন্তঃগাঁথনি হাব হিচাপে গঢ়ি তুলিব। সদনত কাইলৈ বাজেট সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০০০

অসম বিধানসভাত আজি বিৰোধী কংগ্ৰেছৰ সদস্যসকলে ৰাজ্যখনৰ জনসাধাৰণৰ ওপৰত বৰ্তমান চৰকাৰে বৃহৎ ঋণৰ বোজা জাপি দিছে বুলি অভিযোগ কৰি প্ৰতিকীৰূপত প্ৰতিবাদ সাব্যস্ত কৰে। দলটোৰ সদস্যসকলে মূৰত ঋণৰ বোজা লিখা মোনা লৈ সদনত প্ৰৱেশৰ চেষ্টা কৰে।

ইপিনে গুৱাহাটী মহানগৰীত বৰ্তমান পদপথৰ ব্যৱসায়ীৰ তথ্য সন্দৰ্ভত বিধায়ক আব্দুৰ ৰহিম আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা ২০১৪-১৫ চনত কৰা জড়িপ অনুসৰি ৭ হেজাৰ ১৮২ জন পদপথৰ ব্যৱসায়ী চিনাক্ত কৰা হৈছিল। ২০২০ চনত ৰাজ্যত ৰূপায়ণ হোৱা পি এম স্ব-নিধি আঁচনিৰ অধীনত গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা ৩৭ হাজাৰ ৭৬০ জন পদপথৰ ব্যৱসায়ীক পৰামৰ্শ পত্ৰ প্ৰদান কৰা হয় বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

ছত্তিশগড়ৰ দান্তেৱাড়া জিলাত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত তিনিজন মাওবাদী নিহত হয়। চৰকাৰী সূত্ৰ অনুসৰি আৰক্ষী আৰু নিৰাপত্তাবাহিনীৰ এটা যুঁটীয়া দলে বিজাপুৰ আৰু দান্তেৱাড়া জিলাৰ সীমান্ত অঞ্চলৰ ঘন অৰণ্যত আজি পুৱা নক্সাল বিৰোধী অভিযান চলোৱাৰ সময়ত নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ মাজত গুলীয়া-গুলী সংঘটিত হয়। নিৰাপত্তাবাহিনীয়ে নিহত মাওবাদী কেইজনৰ মৃতদেহ উদ্ধাৰ কৰাৰ উপৰি অঞ্চলটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলীবাৰুদ উদ্ধাৰ কৰে। অঞ্চলটোত এতিয়াও তদন্ত অব্যাহত আছে।

০০০০০০০

খালিস্তানী নেতা তথা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক আজি আৰক্ষীৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত পঞ্জাবৰ অমৃতসৰৰ আজনালা আদালতত পুনৰ হাজিৰ কৰোৱা হয়। আদালতে তেওঁলোকক পুনৰ তিনি দিনৰ বাবে ২৮ মাৰ্চ পৰ্যন্ত আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। তেওঁলোক ২০২৩ চনত আজনালা থানা আক্ৰমণৰ ঘটনাত জড়িত আছিল। ডি এছ পি গুৰৱিন্দৰ সিঙে প্ৰকাশ কৰা অনুসৰি ২৫০ জন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল আৰু ইয়াৰে ৩৯ জনক গ্ৰেপ্তাৰ কৰা হৈছিল।

অমৃত পাল সিঙকে ধৰি এই সাতজন সহযোগী ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত অসমৰ ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছিল। বন্দীত্বৰ ম্যাদ উকলি যোৱাৰ পাছত তেওঁলোকক আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰি ২১ মাৰ্চত ডিব্ৰুগড়ৰ পৰা পঞ্জাবলৈ স্থানান্তৰ কৰে। আদালতে তেওঁলোকক আজি পৰ্যন্ত আৰক্ষীৰ জিম্মাত দিছিল আৰু আজি ইয়াৰ ম্যাদ উকলি যোৱাত পুনৰ আদালতত হাজিৰ কৰোৱা হয়।

০০০০০০০

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা ৰাজ্য মন্ত্ৰী জৰ্জ কোৰিয়ানে আজি নতুন দিল্লীত ৰাজ্যিক সংখ্যালঘু আয়োগৰ এখন সন্মিলন মুকলি কৰে। সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ শিক্ষা আৰু সৱলীকৰণৰ দিশত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত নীতি নিৰ্মাতা, বিশেষজ্ঞ আৰু অংশীদাৰসকলে সংখ্যালঘু সম্প্ৰদায়ৰ কল্যাণ আৰু সম-সুযোগ নিশ্চিত কৰাৰ বিষয়ত আলোচনাত ভাগ লৈছে। এই অনুষ্ঠানৰ জৰিয়তে দেশৰ সংখ্যালঘু সম্প্ৰদায়ৰ উন্নত ভৱিষ্যতৰ দিশত সহযোগিতামূলক প্ৰচেষ্টা, নীতি নিৰ্মাণ আৰু আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুৰমাই তেওঁৰ মন্ত্ৰীসভাৰ সাতগৰাকী মন্ত্ৰীৰ দপ্তৰৰ সাল-সলনি ঘটাইছে। গৃহমন্ত্ৰীৰ দায়িত্বত থকা কে চাপদাংগাৰ হাতৰ পৰা দুৰ্যোগ ব্যৱস্থাপনা আৰু সাহায্য বিভাগ কৰ্তন কৰা হৈছে। ৰাজ্য মন্ত্ৰী লালথিংল'ভাক ক্ৰীড়া আৰু যুৱ কল্যাণৰ লগতে পৰ্যটন বিভাগৰো দায়িত্ব দিয়া হৈছে। ছি লালছয়ভুঙাক কলা-সংস্কৃতি বিভাগ, জিলা পৰিষদ বিভাগ আৰু পশু চিকিৎসা বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। ভানলাললানাক জনসংযোগ আৰু ছপা আৰু লেখন সামগ্ৰী বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

ooooooo

নাগালেণ্ড চৰকাৰে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনা ৰূপায়ণৰ কামকাজসমূহ চোৱা-চিতাৰ বাবে সঞ্চালকালয় পৰ্যায়ত এটা সৌৰ অভিযান দল আৰু সচিবালয় পৰ্যায়ত এটা সৌৰ অভিযান গোট গঠন কৰাৰ সিদ্ধান্ত লৈছে। কহিমাত কালি অনুষ্ঠিত নাগালেণ্ড সৌৰ অভিযানৰ প্ৰথমখন বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই যোজনাৰ অধীনত ৰাজ্যখনৰ আবাসীসকলৰ বাসগৃহৰ চাদৰ ওপৰত সৌৰ পেনেল স্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ ১৩ ফেব্ৰুৱাৰীত আৰম্ভ কৰা এই সূৰ্যঘৰ আঁচনিৰ জৰিয়তে ২০২৭ চনৰ মাৰ্চৰ ভিতৰত দেশৰ এক কোটি জনসাধাৰণক বিনামূলীয়া বিদ্যুৎ যোগান ধৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখী হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে, কাইলৈ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট খেল দুখনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ হ'বলগীয়া খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে।

ooooooo

সমাপ্ত